Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ১২

নামৰ বেবেৰিবাং

অংশ - ২

পুণ্যব্ৰত বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নিধনীৰামে আৰু একো নকৈ সুৰসুৰাই ভাত পৰা আঁতৰি গ'ল। গৈ গৈ তেওঁ এটা নিজৰা পালেগৈ। নিজৰাটোৰ পাৰত খেলি থকা এজাক ল'ৰা-ছোৱালীক নিধনীয়ে সুধিলে- "এই পানীদৰাৰ নাম কি তোমালোকে ক'ব পাৰানে মইনাহঁত?"



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সিহঁতে ক'লে- "পাৰোঁতোন- নিজৰা।"



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নিধনীয়ে একো নেমাতিলে। তেওঁ মনে মনে ভাবিলে মাথোন- মৰা গছো অমৰা হয়, জিৰ্ জিৰ্ কৈ জৰি থকা পানীও নিজৰা হয়। আৰু কেইখোজমান গৈ তেওঁ পথাৰত এজন হালোৱা মানুহ দেখা পালে। প্ৰখৰ ৰ'দত মানুহটোৱে এহাল মৰচেৰেলা গৰুৰে হাল বাই আছিল। নিধনীয়ে সুধিলে- "হেৰা মানুহটো! তোমাৰ নামটো কি?"

মানুহ- "মোৰ নাম মৰা।"

নিধনী - "বোলো কোৱা কি? তুমি দেখোন জীয়া। মৰাঁ হ'লা কেনেকৈ?"

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মানুহ – "জীয়াই হওঁ বা মৰাই হওঁ তুমি মোৰ নামটো সলাই দিব নেলাগে দৌতা! আই-বোপায়ে দিয়া মোৰ নাম 'মৰা' বুইছা।"



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মানুহজনৰ সমিধান শুনি নিধনীৰ পেটে পেটে হাঁহিহে উঠিল। ইয়াকে বোলে গাত নাই ছাল-বাকলি, গাখীৰ খায় তিনি টেকেলি। সেয়েহে জীয়া মানুহজনো হেছে মৰা। তেওঁ আকৌ আগবাঢ়ি গ'ল।

এইবাৰ তেওঁ এটা হোলাত ফটাকানি পিন্ধা এজনী জাঁটলী ছোৱালীয়ে জকাই বাই থকা দেখা পালে। নিধনীয়ে সুধিলে - "আইকণ! তোমাৰ নাম কি? মাছ পাইছানে নাই?"

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ছোৱালীজনীয়ে ক'লে- "জকাই বাইছোঁহে বাইছোঁ, খলিহা-পুঠী এটাও পোৱা নাই দেউতা। আপুনি মোৰ নামটো সুধিছিল নহয়- মোৰ নাম লখিমী।"



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নিধনীয়ে ছোৱালীটিক আৰু একো নুসুধি মনে মনে ভাবিলে—

অমৰা মৰে, নিজৰা জ্বৰে
মৰাই বায় হাল,
লখিমীয়ে পিন্ধে ফটাকানি
মই নিধনী হোৱাই ভাল।

এই সজ শিক্ষা লভি সন্তোষ মনেৰে নিধনীৰাম ঘৰত উপস্থিত হ'লগৈ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সাহিত্যাচার্য অতুল চন্দ্র হাজৰিকা (১৯০৩-১৯৮৬) :



এগৰাকী কবি, নাট্যকাৰ, গদ্যলেখক আৰু শিশু-সাহিত্যিক। ১৯৫৩ চনৰ পৰা ১৯৫৬ চনলৈ তেখেত একাদিক্রমে তিনিবাৰ অসম সাহিত্য সভাৰ সাধাৰণ সম্পাদক পদত নির্বাচিত হৈছিল। ১৯৫৯ চনৰ অসম সাহিত্য সভাৰ নগাঁও অধিৱেশনত তেখেতে সভাপতিত্ব কৰিছিল। অসম সাহিত্য সভাই ১৯৮২ চনত তেখেতক সাহিত্যাচার্য উপাধিৰে বিভূষিত কৰে।

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। হালোৱা মানুহজনৰ নাম কি আছিল?

(ক) মৰা

(খ) নিধনী

হালোৱা মানুহজনৰ নাম মৰা আছিল।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। জাকৈ বাই থকা ছোৱালীজনীৰ নাম কি আছিল?

(ক) নীলিমা

(খ) লখিমী

বিভিন্ন: জাকৈ বাই থকা ছোৱালীজনীৰ নাম লখিমী আছিল।